আমাৰ অসম ৩১/১০

## সম্পাদকলৈ চিঠি

# ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী বিশুদ্ধ নহ'বনে

১৬ অক্টোবৰ সংখ্যাৰ 'আমাৰ অসম'ৰ 'ভিন্নমত' পৃষ্ঠাত কেশৱ গগৈয়ে লিখা 'ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী বিশুদ্ধ হ'বনে?' শীৰ্ষক লেখাটো পঢ়ি তলৰ কথাখিনি লিখিবলৈ বাধ্য হ'লোঁ। এই সম্পৰ্কত তেওঁ লিখা বিশেষ কিছুমান মন্তব্যক ইয়াত আলোচনা কৰা হ'ল।

(১) 'আমি আজি ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীখনৰ পৰা সামগ্ৰিকভাৱে অসমৰ মানুহে কোনোধৰণে লাভৱান নহওঁ। কাৰণ ভোটাৰ তালিকা কিম্বা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত সুপৰিকল্পিতভাৱে ১৯৭১ চনৰ পৰাই বদৰুদ্দিন আজমলৰ দৰে মানুহে বাংলাদেশী হিন্দু-মুছলিম উভয়কে তালিকাভুক্ত কৰাৰ কাম ইতিমধ্যে সমাপ্ত কৰিলে। নতুনকৈ প্ৰকাশ পাবলগীয়া নাগৰিকপঞ্জীখনত ৩৮ শতাংশ বাংলাদেশী অথবা পূব পাকিস্তানৰ মানুহৰ নাম সন্নিৱিষ্ট হোৱাটো খাটাং।'

(২) 'ইতিমধ্যে ১৯৫১ চনৰ পৰা ১৯৭১ চনৰ ২৫ মাৰ্চপৰ্যন্ত পাকিস্তান আৰু বাংলাদেশৰ অধিকাংশ সন্দেহজনক নাগৰিকে যে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত অতি কৌশলেৰে নাম অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হৈছে, এই কথা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (এন আৰ চি) প্ৰকাশ পালে স্পষ্ট হৈ পৰিব।'

(৩) 'তুলনামূলকভাৱে পশ্চিম বংগ চৰকাৰে তাত প্ৰৱেশ কৰা মুছলমান অনুপ্ৰৱেশকাৰীক অসমলৈ পাৰ কৰি দিয়াত পৰোক্ষ কিম্বা প্ৰত্যক্ষভাৱে সহায় কৰে। সেইবাবেই অসমৰ তুলনাত পশ্চিম বংগত মুছলমান অনুপ্ৰৱেশকাৰী বৃদ্ধিৰ সংখ্যা তুলনামূলকভাৱে কিছু কম।'

কেশৱ গগৈৰ লেখাটোৰ পৰা এই তিনিটা উৰ্দ্ধ ক'মাৰ ভিতৰত লিখা মন্তব্য উদ্ধৃত কৰিলোঁ এইবাবেই যে এই কথাখিনিয়ে (১) 'আমাৰ অসম'ৰ পঢ়ুৱৈ সমাজক বিভ্ৰান্ত কৰিব (২) কিছুমান 'আনুমানিক' কথাই লেখা এটাৰ মান অৱনমিত কৰে।

ওপৰৰ (১) নং পেৰাগ্ৰাফটোলৈ আহোঁ। ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীখনৰ কাম সম্পূৰ্ণভাৱে মাননীয় উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ আৰু তত্ত্বাৱধানত অসমত আয়ুক্ত-সচিব পৰ্যায়ৰ এজন আই এ এছ বিষয়াৰ পৰ্যবেক্ষণ কৰি থকা হৈছে। বিভিন্ন প্ৰচাৰ মাধ্যমত প্ৰকাশ হোৱা বাতৰি আৰু কাৰ্যব্যৱস্থা মতে সেই কাম যে ৰাইজৰ সহযোগত অতি স্বচ্ছতাৰে কৰা হৈছে, এই কথাত কোনো দ্বিমত নাথাকিব। বাৰে বাৰে উচ্চতম ন্যায়ালয়ে এই কথাত প্ৰয়োজনীয় নিৰ্দেশ জাৰি কৰি আছে। আমি নিশ্চয়কৈ আশা কৰিম যে ন্যায়ালয়ৰ নিৰ্দেশৰ পৰিপ্ৰেক্ষিতে ৰাজ্যিক সমন্বয়কগৰাকী এখন শুদ্ধ নাগৰিকপঞ্জী প্ৰস্তুত কৰি উলিয়াবৰ বাবে ত্ৰিশ শতাংশে দায়বদ্ধ। যদি গগৈ এই ব্যৱস্থাত ইমানেই সন্দিহান, তেনেহ'লে তেওঁ বিষয়টো এতিয়াই ন্যায়ালয়ৰ হস্তক্ষেপৰ বাবে দ্বাৰস্থ হোৱা উচিত— বাতৰিকাকতত প্ৰবন্ধ লিখাৰ পৰিৱৰ্তে। বদৰুদ্দিন আজমলৰ দৰে মানুহে যদি বাংলাদেশীৰ নাম ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত ইতিমধ্যে সুপৰিকল্পিতভাৱে তালিকাভুক্ত কৰা কাম সমাপ্ত কৰিলে বুলি গগৈয়ে জানিলেই, সেই সম্পৰ্কেও তেওঁ কাৰ ওচৰত আপত্তি দৰ্শাইছিল, সেয়াও 'আমাৰ অসম'ৰ পঢ়ুৱৈয়ে পঢ়িবলৈ পোৱা উচিত আছিল। ৩৮ শতাংশ বাংলাদেশী অথবা পূব পাকিস্তানৰ মানুহৰ নাম প্ৰকাশ পাবলগীয়া নাগৰিকপঞ্জীত সন্নিৱিষ্ট হোৱাটো 'খাটাং' বুলি লিখি কেশৱ গগৈয়ে অদ্ভুত এটা মন্তব্য দাঙি ধৰিছে। '৩৮ শতাংশ' আৰু 'খাটাং'— এই দুটাৰ উৎস আৰু সূত্ৰ ক'ত? ভিত্তি কিহত? যদি গগৈৰ এইবোৰ কথাৰ শূন্য শতাংশও সত্যতা আছে, মই ৰাজ্যিক সমন্বয়ক প্ৰতীক হাজেলাক আহ্বান জনাওঁ— তেওঁ আজিয়েই কথাটো নিজে পৰীক্ষা কৰক, যাতে তেওঁ সময়ত উচ্চতম ন্যায়ালয়ৰ চৰম ৰোষত পৰিবলগীয়া নহয়।

(২) নং পেৰাগ্ৰাফটোলৈ আহোঁ। পাকিস্তানৰ পৰা কিমান আৰু বাংলাদেশৰ পৰা কিমান সন্দেহজনক নাগৰিকে নিৰ্মীয়মাণ নাগৰিকপঞ্জীখনত 'কৌশলেৰে' নাম অন্তৰ্ভুক্ত কৰিলে, কেশৱ গগৈয়ে 'আমাৰ অসম'ৰ যোগেদিয়েই প্ৰতীক হাজেলাক জনাই দিয়াটো উচিত আছিল, যিহেতু হাজেলা তাৰ বাবে সামগ্ৰিকভাৱে দায়বদ্ধ। 'অধিকাংশ' বুলি এৱছাৰ্ড শব্দ এটা প্ৰবন্ধ এটাত লিখি দিলেই শেষ নহয়।

(৩) নং পেৰাগ্ৰাফটো ততোধিক এৱছাৰ্ড। পশ্চিম বংগ চৰকাৰে বছৰি কিমান কিমান মুছলমান অনুপ্ৰৱেশকাৰী অসমলৈ পাৰ কৰি আছে, তাৰ হিচাপ গগৈৰ হাতত থকা যেন ভাব হয়। সেই তথ্য তেওঁৰ লেখাটোত তুলি দিয়া হ'লে ভাল আছিল। তদুপৰি তেওঁ পশ্চিম বংগত মুছলমান অনুপ্ৰৱেশকাৰী বৃদ্ধিৰ সংখ্যা কিমান, সেয়াও আমাক জনাব লাগে, যাতে সেয়া আমি অসমৰ সৈতে তুলনা কৰিব পাৰোঁ।

শেষত পুনৰ কওঁ, কেশৱ গগৈৰ লেখাটোৰ পৰা ওপৰত তুলি ধৰা তিনিটা পেৰাগ্ৰাফ ইয়াত আলোচনা কৰাৰ একমাত্ৰ উদ্দেশ্যটো হ'ল যে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশত, ৰাজ্যিক সমন্বয়কৰ তত্ত্বাৱধানত, জিলা প্ৰশাসনৰ দায়িত্বত চলি থকা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ প্ৰস্তুতৰ ক্ষেত্ৰত অসমত কাৰো মনত গগৈৰ লেখাটোৱে যাতে অনাহক সন্দেহৰ সৃষ্টি কৰিব নোৱাৰে।

■ *ৰবেন্দ্ৰ কুমাৰ দাস*
*শিৱম পথ, ভেটাপাৰা, গুৱাহাটী*